# ৰাভাসকলৰ সমাজ
# আৰু
# সংস্কৃতিৰ পৰিচয়

# ২.০০ ৰাভাসকলৰ সমাজ আৰু সংস্কৃতিৰ পৰিচয়

## ২.১০. ৰাভাসকলৰ প্ৰব্ৰজনৰ ইতিহাস ঃ

উত্তৰ-পূব ভাৰতত অতি প্ৰচীন কালৰে পৰা বসবাস কৰি অহা মঙ্গোলীয় ফৈদৰ এটি বিশেষ জনগোষ্ঠী হ'ল ৰাভা। এই জনগোষ্ঠীটোৰ এটা মৌখিক ভাষা থাকিলেও লিখিত ভাষা নাছিল। ফলস্বৰূপে জনগোষ্ঠীটোৰ নিজাকৈ লিখিত কোনো প্ৰাচীন বুৰঞ্জী নাছিল। আনহাতে পুৰণি অসম বুৰঞ্জী আৰু সাহিত্যবোৰতো ৰাভাসকলৰ বিষয়ে উল্লেখ পোৱা নাযায়। খুব সম্ভৱ ভুলবশতঃ এই জনগোষ্ঠীটোক সমগোত্ৰীয় বৰো-কছাৰী, গাৰো বা অন্য জনগোষ্ঠীৰ লগত সাঙুৰি পেলোৱা হৈছিল। যিখন প্ৰাচীন পুথিত ৰাভা জনগোষ্ঠীৰ বিষয়ে প্ৰথম উল্লেখ আছে, সেইখন এজন বিদেশী-মূলৰ লোকে লিখি থৈ গৈছিল। খৃষ্টীয় সপ্তদশ শতিকাত সম্ৰাট চাহজাহান আৰু জাহাঙ্গীৰৰ নিৰ্দেশত মুছলমান সকলে অসম আক্ৰমণ কৰিছিল। সেই সৈন্য দলটোৰ নেতৃত্ব দিছিল ঘাইবী ওৰফে মিৰ্জা নাথানে। এই মিৰ্জা নাথানেই তেওঁৰ 'বাহাৰিস্তান-ই- ঘাইবী' নামৰ গ্ৰন্থখনত ব্ৰহ্মপুত্ৰৰ দক্ষিণ কূলত বসবাস কৰা ৰাভাসকলৰ বিষয়ে প্ৰথম উল্লেখ কৰি গৈছে।[১] অৱশ্যে এই বৰ্ণনাই ৰাভাসকলৰ বিষয়ে জনাত খুব বেছি সহায় কৰিব নোৱাৰে। উনবিংশ শতিকাত ব্ৰিটিছসকলে অসম শাসন কৰিবলৈ অহাৰ সমান্তৰাল ভাৱে খৃষ্টান মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমলৈ আহিছিল। এই ব্ৰিটিছ শাসক আৰু খৃষ্টান মিছনেৰীসকলৰ বিভিন্ন টোকা আৰু বৰ্ণনাৰ পৰা ৰাভা জনগোষ্ঠীটোক অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা মঙ্গোলীয় প্ৰজাতিৰ আৰু চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মীয় শাখাৰ এটা ভাষা কোৱা পৃথক জনজাতি বুলি জনা যায়।[২]

---

১.Borah,M.I (translated) :**Baharistan -I -Ghaibi**, vol-ii, second Edition,1992, p. 532

২. এই সম্পৰ্কত E.T.Delton (**Descriptive Ethnology of Bengal**,1872, p. 87), Rev. S. Endle (**The Kacharis**,1911, p. 83), L.A. Wadel (**The Tribes of Brahmaputra Valley**, J.A.S.B, vol-Lxiv, pt-iii, p. 65), A. Plafair (**The Garos**, 1909, p. 19), J.E friend Pereira (**The Rabhas in census of Assam**, 1911, vol- iii, pt.-1, p. 142) E.A.Gait (**History of Assam**), E.T. Grierson (**Linguistic survey of india**, vol-iii, pt.-ii, 1903, p. 105) আদিৰ অভিমত বিশেষভাৱে উল্লেখযোগ্য।

ৰাভা অধ্যয়নৰ জনক স্বৰূপ ৰাজেন ৰাভাৰ মতে 'ৰাবা' শব্দৰ পৰা ৰাভা শব্দটো আহিছে।[৩] ৰাভা ভাষাত 'ৰাবা' মানে লৈ অহা। ৰাভা জনগোষ্ঠীৰ মাজত এটা লোক -কাহিনী প্ৰচলিত আছে যে ৰিছি বায়ে (ঋষি দেৱতা) ৰাভাসকলক ৰাংকাৰাঙৰ (স্বৰ্গ) পৰা মৰ্ত্যলৈ লৈ আহিছিল কাৰণেই তেওঁলোকে প্ৰথমতে 'ৰাবা' হিচাপে পৰিচয় দিছিল। এই লোক কাহিনীটোৰ এটা ৰূপকাত্মক অৰ্থ থাকিব পাৰে। যদি কাহিনীটোত বৰ্ণিত ৰাংকাৰাং বা স্বৰ্গক হিমালয় পৰ্বতৰ ওপৰত থকা চীন, তিব্বত বা হিমালয়ৰ আশে-পাশে থকা অঞ্চল বুলি ধৰা হয় (ৰাভাসকলৰ মাজত অতি ওখ ভূমি বা ঠাইক স্বৰ্গ বুলি কোৱাৰ প্ৰৱণতা এতিয়াও আছে), তেন্তে ৰাভাসকলৰ আদিম বাসভূমি সম্পৰ্কে এটা ধাৰণা কৰি ল'ব পৰা যায়। এই ৰূপকাত্মক লোক কাহিনীটোৰ "*ৰাংকাৰাং নামৰ স্থানটোৱে তিব্বত-মালভূমি আৰু পৃথিৱী নামৰ স্থানটোৱে হিমালয়ৰ দক্ষিণত অৱস্থিত বিস্তীৰ্ণ সমভূমি অঞ্চলটোকে বুজাইছিল।*"[৪] অৰ্থাৎ তিব্বতৰ ওখ ভূমিখণ্ডই হ'ল ৰাভাসকলৰ আদিম বাসস্থান। কোচা (কোচ্ছা) ৰাভাসকলৰ মাজত প্ৰচলিত এটা গীতে এই কথাষাৰকে সমৰ্থন কৰে। এই গীতটো হ'ল-

*"চায় ব্ৰে ব্ৰে, মায় ব্ৰে ব্ৰ, কোচ্ছা হাছুং তোৰা;*
*চায়বীবৈয়ীন, মায়লহংবীবৈয়ীন কোচ্ছা হাছুং দোৰা।*
*কোচ্ছা হাছুং , সোনা হাছুং, জীৰু হাছুং তোৰা;*
*চায়-না হাছুং, তি-বীবৈ হাছুং চিকাবীবৈ তোৰা।"*

অৰ্থাৎ "*গীতে-মাতে,মদে-ভাতে পৰিপূৰ্ণ চাইবেৰিয়া, মঙ্গোলীয়াৰ উচ্চ পাদ দেশেই কোচ্ছা ৰাভাৰ বাসস্থান আছিল। কোচ্ছাৰ দেশ সোণৰ দেশ, পূৰ্ব-পুৰুষসকলৰ অমৰ আত্মাৰ সেই দেশ; চীন-তিব্বত মাতৃশক্তিৰ পূণ্য আত্মাৰ বীজ মন্ত্ৰৰ দেশ।*"[৫] নৃতত্ত্ববিদ ভুৱন মোহন দাসৰ মতে মঙ্গোলীয় জাতিৰ লোকসকলে উত্তৰ আৰু উত্তৰ -পশ্চিম অঞ্চলৰ পৰা বেলেগ বেলেগ সময়ত আহিছিল। তেওঁলোকেই অষ্ট্ৰিক জাতিক আংশিক ভাৱে বা সম্পূৰ্ণৰূপে নিঃশেষ কৰিছিল আৰু তাৰ পাছত ৰাভা, গাৰো আদি নানা জাতিৰ গঠন কৰিছিল।[৬] Major A. Playfair ৰ মতেও

৩.ৰাভা সংস্কৃতিৰ ৰূপৰেখা, **সংস্কৃতি সঞ্চয়ন**, ১৯৮০, পৃ. ৭২,
৪.ৰাভা, ধনঞ্জয় ঃ **ৰাভা জনজাতিৰ চমু ইতিহাস**,১৯৯৮, পৃ. ২৬
৫.ৰাভা, ধনঞ্জয় ঃ উক্ত গ্ৰন্থ, পৃ. ২৩
৬."*Mongoloid peoples came in successive waves from the north and north-eastern region. They have partly or wholy absorbed the authochthonous austroloid and later on formed various tribes like the Rabhas, the Garo etc.*"**Ethnic Affinities of the Rabha**, 1960, p. 117

গাৰো আৰু সমগোত্ৰীয় জনজাতিসকলৰ পূৰ্ব পুৰুষে অতি প্ৰাচীন কালতে হিমালয় অতিক্ৰম কৰি সমভূমি অঞ্চলত বাস কৰিছিল।[৭] S. Endle-এ তিব্বত আৰু চীনক মঙ্গোলীয়সকলৰ মূল বাসভূমি বুলি কৈছে।[৮] তেওঁৰ মতে মঙ্গোলীয় লোকসকলে উত্তৰ আৰু উত্তৰ-পূবৰ পৰা দুটা শাখাত বিভক্তহৈ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল। এটা শাখাই তিস্তা, ঢাৰলা, সোনকোষ আদি নদী উপত্যকাৰ মাজেৰে উত্তৰ-পূব বঙ্গ আৰু পশ্চিম অসমত প্ৰৱেশ কৰিছিল আৰু আনটো শাখাই সোৱনশিৰি, দিবং, দিহং আদি নদী উপত্যকাৰে পূব অসমত প্ৰৱেশ কৰিছিল।[৯] সেইদৰে বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে-"*তিব্বত-বৰ্ম্মীসকল চীন দেশৰ দক্ষিণ অংশৰ পৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী, চালুইন, মেকং আদি নদীয়েদি অসম, ব্ৰহ্ম, ইন্দোচীন আদি দেশত সিচঁৰিত হয়।*[১০] লক্ষ্মী দেৱীৰ মতে, "*অষ্ট্ৰিক আৰু নেগ্ৰিটো সকলৰ পিছত মঙ্গোলীয় জাতিৰ তিব্বত- বৰ্মা শাখাৰ কেইটামান দল আহি অসমত প্ৰৱেশ কৰে। উত্তৰ-পশ্চিম কোণৰ ইয়াংচি আৰু হোৱাংহো নদী উপত্যকা অঞ্চলৰ উচ্চাংশ তেওঁলোকৰ আদি বাসস্থান বুলি ঠাৱৰ কৰা হৈছে। এওঁলোকে অসম আৰু ব্ৰহ্মদেশৰ বিভিন্ন গিৰি পথবোৰেৰে আৰু ব্ৰহ্মপুত্ৰ, চিন্দুইন, ইৰাৱতী, চালুইন, মেকং আৰু মেনাম আদি নদী পথেৰে অসমত প্ৰৱেশ ক ৰিছিল। এওঁলোকে অসমত প্ৰৱেশ কৰা সময়ত খাচি, চিণ্টেংসকলক কিছুমান পাহাৰী অঞ্চল দখল কৰি থকা অৱস্থাত পাইছিল। এই মঙ্গোলীয় জাতিৰ বিভিন্ন দলৰ কিছুমান নেপাল আৰু তিব্বতলৈ গ'ল, কিছুমানে পূবে শদিয়াৰ পৰা পশ্চিমে পঞ্জাৱলৈ হিমালয়ৰ নামনি অঞ্চল অধিকাৰ কৰিলে আৰু বাকীবোৰ অসমৰ গাৰোপাহাৰ, মিজোপাহাৰ, মণিপুৰ, মিকিৰ পাহাৰ আৰু নগাপাহাৰ দখল কৰি লাহে লাহে ভৈয়ামৰ সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি আৰু নামনি অঞ্চলত বিয়পি পৰিল। বৰ্তমান অসমৰ ভৈয়াম আৰু দাঁতি-কাষৰীয়া পাহাৰবোৰত বাস কৰা বড়ো, কছাৰী, চুটীয়া, মৰাণ, মেচ, ৰা ভা, কোঁচ, লালুং, মিকিৰ অঁকা, ডফলা আবৰ, মিচিমি, কুকি, মেইঠে (মণিপুৰি) আৰু বিভিন্ন নগা জনজাতিৰ মানুহবোৰ এই মঙ্গোলীয় জাতিৰেই ভিন ভিন শাখাৰ বংশধৰ।*"[১১] সাহিত্যিক মণি ৰাভাই ৰংদানি আৰু কোচা ৰাভাসকলৰ মাজত প্ৰচলিত

---

৭.**The Garos**, 1909, reprint 1998, p. 14
৮**The Kacharis**, 111, reprint1995, p. 3
৯.উক্ত গ্ৰন্থ, পৃ. ২৩
১০. **অসমীয়া ভাষা আৰু সংস্কৃতি**,(দ্বিতীয় ভাগ ) পঞ্চম সংস্কৰণ, পুনৰ্মুদ্ৰণ, ১৯৯৮, পৃ. ১৩
১১. **অসম দেশৰ বুৰঞ্জী**, পঞ্চম প্ৰকাশন, ১৯৮৭, পৃ. ৪

লোক কাহিনীৰ বিশ্লেষণ কৰি তিব্বতেই ৰাভাসকলৰ আদিম বাসস্থান বুলি ক'ব খোজে।[১২]

এনেদৰে ৰাভাসকলৰ মাজত চলি থকা বিভিন্ন ধৰণৰ জনশ্ৰুতি আৰু বিভিন্ন পণ্ডিতৰ বিশ্লেষণৰ পৰা তিব্বতেই ৰাভাসকলৰ আদিম বাসস্থান আছিল বুলি ক'ব পৰা যায়। তাৰ পৰা তেওঁলোকে বিভিন্ন সময়ত বিভিন্ন পথেৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমি অঞ্চলত প্ৰৱেশ কৰি বসবাস কৰিবলৈ লৈছিল। তেওঁলোকে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰলৈ আহি প্ৰথমতে গাৰো পাহাৰত এখনি শান্তিপূৰ্ণ ৰাজ্য (কামালতানি-চিমালতানি হাছুং) পাতি বসবাস কৰিব লৈছিল।[১৩] তাৰ পাছত গাৰোসকলৰ লগত সংঘাতত লিপ্ত হ'ব লগীয়াত সমভূমিলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হয়।[১৪]

## ২.২০ ৰাভাসকলৰ বসতি স্থান ঃ

ৰাভাসকলে অতীতৰে পৰা বৰ্তমানৰ অসম, মেঘালয় আৰু পশ্চিমবঙ্গ— এই তিনিখন ৰাজ্যত বসবাস কৰি আহিছে। অসমৰ কামৰূপ, গোৱালপাৰা, দৰং আৰু নলবাৰী জিলাতেই অধিক সংখ্যক ৰাভালোকে বসবাস কৰি আহিছে। তদুপৰি ধুবুৰী, কোক্ৰাঝাৰ, কাৰ্বি আংলং, নগাঁও, শিৱসাগৰ, শোনিতপুৰ, ডিব্ৰুগড়, উত্তৰ লক্ষীমপুৰ, কাছাৰ আদি জিলাতো কম পৰিমাণৰ ৰাভালোকে বসবাস কৰি আহিছে। ১৯৭১ চনৰ লোকপিয়ল মতে অসমৰ বিভিন্ন জিলাত বসবাস কৰা ৰাভালোকৰ সংখ্যা এনেধৰণৰ—[১৫]

---

১২. " *....in another story of Rongdani Rabhas and Kocha Rabhas say that they came from the place -Hulunglunga-julungiunga, Sat talla Hachu means a big, a high and hollow hills which have seven stages.The existence of this hill is in the northern part of Assam-Bengal the Himalayan ranges, beyond the Himalayas there is Tibbet. As such, the story may be directed to the Tibbet region.*"-(**Historical Background of the Rabhas**, An article published in RANGSANG, souvenir, Closing conference of the silver jubilee year of ARSU, 2005, p. 149)

১৩. ৰাভা, বীৰেণ ঃ **ৰাভা জনজাতিৰ চমু আভাস**,১৯৯৮, পৃ. ৭

১৪.Pereira, friend : **Survey of India**, 1912, p. 145.

১৫. উৎস ঃ Rabha, Rajen :**The Rabhas**, 2002, p. 6

| জিলা | জনসংখ্যা |
|---|---|
| (১) গোৱালপাৰা | ৫৩২৯৪ |
| (২) ধুবুৰী | ৫৯৫৬ |
| (৩) কোক্ৰাঝাৰ | ৮৯৬৯ |
| (৪) গুৱাহাটী (কামৰূপ) | ৪৭২১০ |
| (৫) নলবাৰী | ৭৪৮৫ |
| (৬) বৰপেটা | ৩৬২ |
| (৭) তেজপুৰ (শোণিতপুৰ) | ১৮৫৬ |
| (৮) মঙ্গলদৈ (দৰং) | ১১৮৫৫ |
| (৯) উত্তৰ লক্ষীমপুৰ | ৩০৯ |
| (১০) ধেমাজী | ৩৬ |
| (১১) ডিব্ৰুগড় | ৩৩০ |
| (১২) শিৱসাগৰ | ২ |
| (১৩) যোৰহাট | ১ |
| (১৪) গোলাঘাট | ১১৪ |
| (১৫) নগাঁও | ৭৮১ |
| (১৬) শিলচৰ (কাছাৰ) | ৫ |
| (১৭) হাইলাকান্দি | ৪ |
| (১৮) কৰিমগঞ্জ | ৬১ |

আনহাতে মেঘালয়ৰ গাৰোপাহাৰ জিলাতো যথেষ্ট ৰাভা জনগোষ্ঠীৰ লোকে বাস কৰে। ১৯৭১ চনৰ লোক গণনা মতে (অসমত) বসবাস কৰা ৰাভালোকৰ সংখ্যা ১,৩৮,৬৩০।[১৬] সেইদৰে পশ্চিমবঙ্গৰ বিভিন্ন জিলাত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ সংখ্যা ১৯৭১ চনৰ লোকপিয়ল মতে এনেধৰণৰ—[১৭]

১৬.উৎস ঃ উক্ত গ্ৰন্থ, পৃ. ৭-৮
১৭. উৎস ঃ উক্ত গ্ৰন্থ, পৃ. ৭-৮

| জিলা | ৰাভা জনসংখ্যা |
|---|---|
| (১) জলপাইগুড়ি | ৩৪৩ |
| (২) কোচবেহাৰ | ১৮৯১ |
| (৩) মিদনাপুৰ | ১১৮ |
| (৪) ২৪পৰগণা | ১০৫ |
| (৫) বৰ্দ্ধমান | ৬ |
| (৬) পশ্চিম দিনাজপুৰ | ৬ |
| (৭) কলকাতা | ২ |
| (৮) পুৰুলিয়া | ১ |
| (৯) বাঙ্কুৰা | ১ |

১৯৯১ চনৰ লোকপিয়ল মতে অসমৰ বিভিন্ন জিলাত বসবাস কৰা ৰাভা ভাষা ভাষীৰ সংখ্যা এনেধৰণৰ[১৮]—

| জিলা | ৰাভা ভাষীৰ সংখ্যা |
|---|---|
| ধুবুৰী | ৮,৫৮৬ |
| কোক্ৰাঝাৰ | ১০,৬৭২ |
| বঙাইগাঁও | ২,৫৬৩ |
| গোৱালপাৰা | ৪৯,৭৪৪ |
| বৰপেটা | ২৭ |
| নলবাৰী | ৮,৩৪৪ |
| কামৰূপ | ১৫,০৬৮ |
| দৰং | ১৪,৪৪২ |
| শোণিতপুৰ | ১,৬৭৪ |
| লক্ষীমপুৰ | ২০ |

১৮.Census of India, 1991, Series 04-Assam,Part IV B(i)(a)-C Series.

| | |
|---|---|
| ধেমাজী | ৮৩৬ |
| মৰিগাঁও | ৭ |
| নগাঁও | ২১৭ |
| গোলাঘাট | ১১ |
| যোৰহাট | ২ |
| শিৱসাগৰ | ৩ |
| ডিব্ৰুগড় | ১ |
| তিনচুকীয়া | ১০ |
| কাৰ্বি আংলং | ১৬৯ |
| উত্তৰ কাছাৰ | ১২ |
| সৰ্বমুঠ | ১,১২,৪০৮ জন |

সেইদৰে ১৯৯১ চনৰ লোকপিয়ল মতে মেঘালয়ৰ বিভিন্ন জিলাত বসবাস কৰা ৰাভা ভাষা ভাষী লোকৰ সংখ্যা এনেধৰণৰ[১৯]—

| জিলা | ৰাভা ভাষা ভাষীৰ সংখ্যা |
|---|---|
| পশ্চিম গাৰো পাহাৰ জিলা | ১৩,৪৮৩ |
| পূব গাৰো পাহাৰ জিলা | ৪,৮৩৯ |
| পশ্চিম খাচী পাহাৰ জিলা | ৪২ |
| পূব খাচী পাহাৰ জিলা | ১,৪০৬ |
| জয়ন্তীয়া পাহাৰ জিলা | ৪ |
| সৰ্বমুঠ | ১৯,৭৭৪ |

আনহাতে ১৯৯১ চনৰ লোকপিয়ল মতে পশ্চিমবঙ্গত বসবাস কৰা ৰাভা ভাষা ভাষীৰ

১৯.Census of India,1991-Special Table on S.C. & S.T.

সংখ্যা হ'ল—৭,৯৪২। উক্ত বৰ্ষৰ লোকপিয়ল মতে ৰাজ্যখনৰ বিভিন্ন জিলাত বসবাস কৰা ৰাভা ভাষা ভাষীৰ সংখ্যা এনেধৰণৰ[২০]—

| জিলা | জনসংখ্যা |
|---|---|
| জলপাইগুৰি | ৬,৭৮১ |
| কোচবিহাৰ | ১,১৬১ |
| সৰ্বমুঠ | ৭,৯৪২ |

## ২.৩০ ৰাভাসকলৰ ফৈদ ঃ

গেইটে ১৮৮৯ চনৰ লোকপিয়লৰ টোকাত ৰাভাসকলৰ পাঁচটা ফৈদ থকা বুলি উল্লেখ কৰিছে। তেওঁৰ মতে সেই পাঁচটা ফৈদ হ'ল— ৰংদানি, পাতি, মায়তৰি, দাহুৰি আৰু কছাৰী।[২১] এই শ্ৰেণীবিভাজন নিৰ্ভুল নহয়। কাৰণ ইয়াত কছাৰীসকলক ৰাভাৰ এটা ফৈদ হিচাপে দেখুৱাইছে। কিন্তু কছাৰী ৰাভাৰ পৰা সম্পূৰ্ণ পৃথক এক জনগোষ্ঠী। B.C. Allen-এ ৰাভাসকলৰ সাতটা ফৈদ আছে বুলি উল্লেখ কৰিছে।[২২] সেইদৰে ফ্ৰেণ্ড পেৰেইৰাও ৰাভাৰ এই সাতটা ফৈদ থকা বুলি উল্লেখ কৰিছে।[২৩] মণি ৰাভাও এওঁলোকৰ শ্ৰেণীবিভাজনকে সমৰ্থন কৰিছে। পৰৱৰ্তী কালত ৰাজেন ৰাভাই অধিক ক্ষেত্ৰ অধ্যয়ন কৰি ৰাভাৰ আঠোটা ফৈদ থকা বুলি উল্লেখ কৰিছে। সেইকেইটা হ'ল—পাতি (Pati), ৰংদানি (Rangdani), মাইতৰি (Maitari), কোচা (Kocha), দাহুৰি (Dahuri), বিটলীয়া (Bitalia), টোটলা (Totla) আৰু হানা (Hana)।[২৪]

জনসংখ্যাৰ ফালৰ পৰা পাতি ৰাভা ফৈদটোৱেই ডাঙৰ আৰু এই ফৈদটো ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে কামৰূপৰ ৰাণীৰ পৰা গোৱালপাৰাৰ দুধনৈলৈকে এক সুবিস্তৃত অঞ্চলত বসবাস কৰে। ৰংদানি আৰু মায়তৰি ৰাভাসকলে গোৱাল পাৰাৰ দক্ষিণ-পশ্চিম সীমান্তত গাৰো পাহাৰৰ দাঁতি-

---

২০.Census of India,1991—Special Table on S.C. & S.T.
২১. Playfair, Major A: **The garos**, 1909, p. 19
২২. **Assam district Gazetter**, vol-iii, p. 50
২৩.**The Rabhas in Census of Assam**, 1911, vol-iii, pt-1, p. 142
২৪.Rabha, Rajen :প্ৰাগুক্ত গ্ৰন্থ, p. 3

কাষৰীয়া অঞ্চলত বসবাস কৰে। কোছা ৰাভাসকলে অসমৰ ধুবুৰি আৰু কোক্ৰাঝাৰ জিলাত আৰু পশ্চিম বঙ্গৰ নিউ জলপাইগুৰি আৰু কোচবেহাৰ জিলাত বসবাস কৰে। টোটলা ৰাভাসকলে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে প্ৰধানকৈ দৰং আৰু নলবাৰী জিলাত বসবাস কৰে। হানা ফৈদৰ ৰাভাসকলে কামৰূপৰ দুই-এখন গাঁওত মেঘালয়ৰ সীমান্তত বাস কৰে। দাহৰি ফৈদৰ ৰাভাসকলে গোৱালপাৰা জিলাৰ যোগীঘোপা, পঞ্চৰত্ন আদি ঠাইত বাস কৰে। সেইদৰে বিটলীয়া ফৈদৰ ৰাভাসকলে গোৱালপাৰা জিলাৰ কিছুমান গাঁওত বাস কৰে বুলি ৰাজেন ৰাভাই উল্লেখ কৰিছে।[২৫]

## ২.৪০ ৰাভাসকলৰ সমাজ আৰু সংস্কৃতি ঃ

### ২.৪১. অনা-আৰ্যীভূত (মাতৃভাষী) ৰাভাসকলৰ সমাজ আৰু সংস্কৃতি ঃ

অতীতত ৰাভাসকলৰ সমাজ ব্যৱস্থা মাতৃতান্ত্ৰিক আছিল। তাৰ প্ৰমাণ— ৰাভা সমাজ ব্যৱস্থা এতিয়াও কিছুমান মাহাৰী বা মাতৃ গোটত বিভক্ত।[২৬] ৰংদানি, মাইতৰি, কোচা, দাহৰি আৰু পাতি ৰাভাসকলৰ মাজত এই মাহাৰী প্ৰথাৰ প্ৰচলন আছে। অৱশ্যে বিটলীয়া, হানা আৰু টোটলাসকলৰ মাজত এই মাহাৰী প্ৰথাৰ প্ৰচলন পোৱা নাযায়। সম্ভৱত এওঁলোকৰ মাজৰ পৰা এই প্ৰথা লোপ পাইছে।

ৰংদানিসকলৰ মাজত প্ৰচলিত বাৰায় বা মাহাৰীবোৰ হ'ল[২৭] — (১) পাম, (২) ৰুংদুং (৩) টেংটং, (৪) খাণ্ডা (কান্ত্ৰাং), (৫) চিৰা, (৬) হাদু, (৭) চুৰ্চং, (৮) ৰাদুং, (৯) ৰংখো, (১০) ফেন্নাং, (১১) লেম, (১২) মেজেং, (১৩) হালক, (১৪) নিবাৰী, (১৫) দাবাং (হাচাং), (১৬) ছাৰাং, (১৭) তৰাং, (১৮) বাক্ছো, (১৯) ছুংদুং (চুন্দুক), (২০) জুৰো, (২১) বাগুৱা, (২২) বাঠো, (২৩) দিল, (২৪) দেকা, (২৫) হাটো, (২৬) বাৰ্চুং, (২৭) তাৰা, (২৮) তয়া, (২৯) ৰহিফ, (৩০) ৰংতাক, (৩১) ৰংকাথেপ, (৩২) হাকাছাক, (৩৩) নাবাজি, (৩৪) দিপ্কা, (৩৫) জিৰা, (৩৬) তিছুলি,

---

২৫.Rabha, Rajen : প্ৰাগুক্ত গ্ৰন্থ, p. 71

২৬.Rabha, Rajen : উক্ত গ্ৰন্থ, p. 71

২৭.Rabha, Rajen :উক্ত গ্ৰন্থ, p. 72

(৩৭) দয়নাং, (৩৮) চুচ্‌ৰে, (৩৯) ৰায়ফো, (৪০) উনি, (৪১) কামা, (৪২) চাংথো, (৪৩)হাকাছাং, (৪৪) মোইজি, (৪৫) কাৰা, (৪৬) চাপাৰ, (৪৭)দাপাৰ, (৪৮) মজা, (৪৯) হাইফাং, (৫০)লাংছা, (৫১) দালো, (৫২) হালো, (৫৩) নোকমান, (৫৪)নাং, (৫৫) দুলুং, (৫৬) হুৰি, (৫৭) ছুৰু, (৫৮)ওৰানাং, (৫৯) ৰাংছাম, (৬০) চাণ্ডাল, (৬১)চেৰেঙা, (৬২) নালং, (৬৩) মাতা, (৬৪) দৰনৈ, (৬৫) পামানাং, (৬৬) পামফ্লাক, (৬৭)ছোংদাম, (৬৮) নাছান,(৬৯)বাইদা, (৭০)তাৰাং, (৭১) গায়নাং, (৭২) ওক্‌চি, (৭৩) হাৰো, (৭৪) হাটোক, (৭৫)নুকছেৰ, (৭৬) ৰোংদুক, (৭৭)সন্তোক, (৭৮) গাছিচিং আৰু (৭৯)পান।

মাইতৰি ৰাভাসকলৰ মাজত প্ৰচলিত বাৰায় বা মাহাৰীবোৰ হ'ল[২৮]—(১) পাম, (২) ৰুংদুং, (৩)চিৰা (চিংৰা), (৪)হাদু, (৫) চুৰ্চুং, (৬) ৰায়দুং, (৭) ফেনাম, (৮) লেম, (৯) ৰংখো, (১০)দাবাং, (১১) তাৰাং, (১২) বাক্‌ছো, (১৩) চন্তোক, (১৪) জুৰো, (১৫) বাণ্ঠো, (১৬) বাগু, (১৭) দেকা (দিকা), (১৮) হাটো, (১৯)বাৰ্চুং, (২০) তাৰা, (২১) তয়া (২২) দায়নাং, (২৩)ৰায়ফো, (২৪)কাম্বা (কামা), (২৫) চিকছান, (২৬)হাকাছাম, (২৭) নোকছেৰ, (২৮) মাজাৰ, (২৯) ওক্‌চি, (৩০)চেৰেঙা, (৩১) নুকছেৰ, (৩২) গায়নাং (৩৩) নাছান, (৩৪) পান, (৩৫) পামফ্লাক, (৩৬) নালং, (৩৭)বাইদা, (৩৮)হাটোক, (৩৯) হালো, (৪০)ছোংদাম, (৪১) গাছিচিং, (৪২) হাদু, (৪৩) নাব্ৰা, (৪৪) মাতা, (৪৫) কেংতং (৪৬) মেজেঙা, (৪৭)ছামানাং, (৪৮) ববং, (৪৯) হাৰো আৰু (৫০) ছামফ্লাক।

পশ্চিমবঙ্গৰ নিউ জলপাইগুৰি আৰু কোচবিহাৰ জিলা আৰু অসমৰ ধুবুৰী আৰু কোক্‌ৰাঝাৰ জিলাত বসবাস কৰা কোচা ৰাভাসকলৰ হু'ছু'ক বা বাৰায়বোৰ হ'ল[২৯]-

(১) উনি ঃ (ক) উনি বামুন, (খ) উনি চিতাম, (গ) উনি চাণ্ডাল, (ঘ) উনি লাবাং, (ঙ) উনি প্ৰান, (চ) উনি চিদাং-ব'ৰ'ই

(২) কাৰা ঃ (ক) কাৰা চৌমবুৰি, (খ) কাৰা টেব্‌লেট, (গ)কাৰা বৌদাল, (ঘ)কাৰা লেপা, (ঙ) কাৰা মান্‌ত্ৰেক, (চ) কাৰা পুলুং, (ছ) কাৰা চিন্দাল

(৩) কান্ত্ৰাং ঃ (ক) কান্ত্ৰাং হাদাম, (খ) কান্ত্ৰাং মৌন্দু, (গ) কান্ত্ৰাং ভোগ, (ঘ)কান্ত্ৰাং

---

২৮.Rabha, Rajen :উক্ত গ্ৰন্থ, p. 72-73

২৯.Rabha, Rajen :উক্ত গ্ৰন্থ, p. 73-74

হুছুক

(৪) পঞ্চিবক ঃ (ক) পঞ্চিবক গগুক, (খ)পঞ্চিবক মাৰ্গাম

(৫)কামা ঃ (ক) কামা ৰাছনজি, (খ) কামা মোচাট, (গ) কামা চিকাম, (ঘ)কামা ৰাবা

(৬) মৌজি ঃ (ক) মৌজি প্ৰান, (খ)মৌজি ব'ব'ৰ, (গ) মৌজি কাৰা, (ঘ)মৌজি তোপ, (ঙ) মৌজি দোং, (চ) মৌজি ছাম্পাৰ, (ছ) মৌজি ছুছুক,(জ) মৌজি তৌবুক, (ঝ) মৌজি বন্দুল, (ঞ)মৌজি তেপাল, (ট)মৌজি ভোগ

(৭) বান্দা ঃ (ক) বান্দা জাকাই, (খ) বান্দা দাহাৰি, (গ) বান্দা ছাগ, (ঘ)বান্দা ছুছুক, (ঙ) বান্দা মান্ত্ৰেগ, (চ) বান্দা ভোগ, (ছ) বান্দা বাঠাও, (ঝ)বান্দা বাহ, (ঞ) বান্দা বান্দ, (ট )বান্দা কুমাৰ , (ঠ) বান্দা চালে, (ড) বান্দা নোক, (ঢ) বান্দা ছাহাম, (ণ)বান্দা উনবাৰ

(৮) নক্ৰা (নৰা) ঃ (ক) নক্ৰা গুগুক, (খ) নক্ ৰা-চিকা-তাংৱ্ৰা, (গ) নক্ৰা-হুতুং

(৯) চাপাৰ, (১০) দাপাৰ, (১১) দাৰবত, (১২) দৰ্পা, (১৩) ৰংগাক, (১৪) নমান (নকমান), (১৫) লক-বক, (১৬) মৰ্জা, (১৭) মুগিনাং, (১৮) ছুৰ্জিনাং, (১৯) হাইফাং, (২০) চোলেং, (২১)ছৌম্বুৰ, (২২)লাংছা, (২৩)চিন-চেট্, (২৪)লেম, (২৫)মেজেং, (২৬) না, (২৭) টাঙ্গই, (২৮) কেনছাম, (২৯) দাং-দাং, (৩০)টাৰাক, (৩১) মুকাৰ্জি, (৩২) দুদোই, (৩৩) চাম্পেট, (৩৪) ক্লাং- চেট্, (৩৫) হুৰি, (৩৬) লাবং, (৩৭) দলং-ছা, (৩৮)চিং-লাং, (৩৯) পাৰাম-দাম, (৪০) চৌন্দু, (৪১) ছৰু, (৪২) চান্দল, (৪৩) দালো, (৪৪) পুমুৰি (পাম), (৪৫)ৰাক-ছেম, (৪৬)লম্বৰ, (৪৭) বা-নাং (ওৱানাং), (৪৮) নালাং-ছা, (৪৯) দুলুঙা, (৫০) লাই-ছোং, (৫১)ৰোহাৰ, (৫২) লৌম্বুৰ্ক, (৫৩) নালং, (৫৪) স্বাম-দাই, (৫৫) দ্লাং,(৫৬)দলেং, (৫৭) ৰং-কো, (৫৮)ৰং-দো, (৫৯) ৰাং-ছাম, (৬০) চোং-লানি, (৬১) লম্বোক, (৬২) বাক-চৌকুল, (৬৩) টাৰু, (৬৪) লুং-চুং, (৬৫)ছুমুৰি, (৬৬) বাঠাও, (৬৭) ৰাজকুমাৰ, (৬৮) লাংছা-কুমাৰ, (৬৯) ৰং-দাম, (৭০) হাৰদক, (৭১) দুৰঙা, (৭২)হেং-ছাৰাং, (৭৩) কেস্বাপ, (৭৪)মৌছি-থাং, (৭৫) দাল্পা, (৭৬) না-প্ৰান, (৭৭) দৰবহুছু-নানাকুটি, (৭৮) ৰোং-দোম, (৭৯) নেগেনাং, (৮০) লাৰং, (৮১) চিন-চেট,

(৮২)মোচি-টক, (৮৩) নোগোৰা

ৰাভা সমাজত এই বাৰায় বা মাহাৰী প্ৰথাৰ এক বিশেষ ভূমিকা আছে। ৰাভাসকলে সম্পতিৰ উত্তৰাধিকাৰ সম্পৰ্কত পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ ৰীতি মতে চলিলেও বাৰায় বা মাহাৰীৰ ক্ষেত্ৰত মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ৰীতি মানি চলে।[৩০] অৰ্থাৎ সন্তানে তেওঁলোকৰ বাৰায় বা হু'ছ'ক বা মাহাৰী পিতৃৰ পৰা লাভ নকৰে, মাতৃৰ পৰাহে লাভ কৰে। পিতৃৰ বাৰায় পাম আৰু মাতৃৰ বাৰায় হাকাচাম হ'লে সন্তানে নিয়ম মতে হাকাচাম বাৰায়হে লাভ কৰে। আনহাতে একে বাৰায় বা হু'ছু'কৰ মাজত বিয়া-বাৰু নিষিদ্ধ।

ৰাভাসকলৰ সমাজ ব্যৱস্থা চাৰিটা স্তৰত বিভক্ত—(ক) গাঁও, (খ) মণ্ডল , (গ) জামাত আৰু (ঘ) সন্মিলন। কেইখনমান গাঁও লগ লাগি একো একোটা মণ্ডল গঠিত হয়। সেইদৰে তিনিটা বা ততোধিক মণ্ডলৰ সমষ্টিৰে একোটা জামাত আৰু কেইটামান জামাতৰ সমষ্টিৰে একো একোটা সন্মিলন গঠিত হয়।[৩১]

ৰাভাসকলৰ প্ৰধান জাতীয় উৎসৱ হৈছে বায়খো। জেঠ মাহত অনুষ্ঠিত এই উৎসৱত এহাতে অটব্য হাবিৰ অস্থায়ী বেদীত গুৰ-গম্ভীৰ পৰিবেশত পবিত্ৰ পূজা- পাতলৰ অনুষ্ঠান পালন কৰা হয়; আনহাতে দেউৰীৰ চোতালত ৰাতি ডেকা-গাভৰুৰ অবাধ মিলনেৰে, যৌন ধৰ্মী নাচ-গানেৰে উৎসৱ থলী উত্তাল কৰি তোলা হয়। তদুপৰি ৰাভাসকলে বিভিন্ন সময়ত বিভিন্ন দেৱ-দেৱী, যেনে—হাছং, লাঙা, ৰিছি, কাঁচা খাইতী, বীৰা, ঝাকুৰা দেও আদিৰ পূজা সমূহীয়া ভাৱে অনুষ্ঠিত কৰে।

ৰাভাসকলৰ নিজা বিবাহ ৰীতি আছে। ৰংদানি, মাইতৰি আৰু কোচা ৰাভাসকলৰ মাজত সাধাৰণতে মোমায়েকৰ জীয়েককে (বিষম গোত্ৰীয়) বিয়াত প্ৰাধান্য দিয়া হয়। সমগোত্ৰীয় বিবাহ ৰাভাসকলৰ মাজত নিষিদ্ধ। ৰাভা বিবাহ পদ্ধতিটোক চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে—

(ক) **ভৰি চিংকায় বা সামাজিক বিবাহ ঃ** এই বিবাহ ৰীতি মতে ল'ৰা-ছোৱালী উভয়ে বিবাহৰ বাবে উপযুক্ত বয়সীয়া হ'লে ল'ৰাৰ মাক-বাপেকে ছোৱালীৰ অভিভাৱকৰ ওচৰলৈ গৈ তেওঁলোকৰ প্ৰস্তাৱ আগবঢ়ায়। ছোৱালীৰ অভিভাৱকে এই প্ৰস্তাৱত সন্মত হ'লে সামাজিক ভাৱে

৩০.Rabha, Rajen :উক্ত গ্ৰন্থ, p. 71

৩১.Rabha, Rajen :উক্ত গ্ৰন্থ, p. 105

ল'ৰা-ছোৱালী হালৰ বিয়া পাতি দিয়ে।

(খ) **নোক ধাংকায় ঃ** ৰাভাসকলৰ জাতীয় উৎসৱ বায়খোত ল'ৰা-ছোৱালী উভয়ৰে মন মিলিলে ছোৱালীয়ে ল'ৰাৰ ঘৰত প্ৰৱেশ কৰে। তেতিয়া সমাজে তেওঁলোকৰ সম্পৰ্কক স্বীকৃতি দিয়ে।

(গ) **জাঙই ধাংকায় ঃ** এই পদ্ধতি মতে বিবাহ হ'লে বিয়াৰ পিছত ল'ৰাই ছোৱালীৰ ঘৰত থাকিব লাগে।

(ঘ) **ক্ৰাংছিবাৰী বা বিধবা বিবাহ ঃ** ৰাভাসকলৰ মাজত বিধবা বিবাহৰ প্ৰচলন আছে। সাধাৰণতে বিধবা বৌৱেকে দেওৰেকৰ লগত বিয়া হয়; কিন্তু তেওঁ বৰজনাকৰ লগত বিয়া হ'ব নোৱাৰে।

লোক-সঙ্গীত আৰু লোক-নৃত্যৰ ক্ষেত্ৰত ৰাভাসকল যথেষ্ট চহকী। বায়খো উৎসৱৰ লগত জৰিত হৈমাৰু আৰু ছাথাৰ গীত-নৃত্য, ফাৰকান্তি বা শ্ৰাদ্ধ ক্ৰিয়াৰ লগত জৰিত গীত-নৃত্য, হামজাৰ বা ঝুম খেতিৰ লগত জৰিত গীত-নৃত্য, নিচুকণি গীত, বাং বাং বা গৰখীয়াৰ নৃত্য-গীত আৰু বেলাড শ্ৰেণীৰ বহুতো লোকগীত ৰাভাসকলৰ মাজত পৰম্পৰাগতভাৱে চলি আহিছে।

### ২.৪১.আৰ্যীভূত ৰাভাসকলৰ সমাজ আৰু সংস্কৃতি ঃ

ৰাভাৰ ৰংদানি, মাইতৰি আৰু কোচা ফৈদৰ বাহিৰে বাকী পাঁচটা ফৈদৰ মাজত ৰাভা ভাষাৰ প্ৰচলন নাই। অসমীয়া ভাষাৰ এক বিশেষ ৰূপেৰে অৰ্থাৎ নৃগোষ্ঠীয় উপভাষাৰে এওঁলোকে দৈনন্দিন জীৱনত ভাৱৰ আদান-প্ৰদান কৰে। এই সম্পৰ্কে ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামীয়ে অভিমত আগবঢ়াইছে এইবুলি-"*....all other five groups of the Rabhas have lost their own tongue.They never speak their original community language even in their domestic life. This is the result of their close contact with the Assamese speaking population and such other social factors.*"[৩২] সংস্কৃতিৰ মূল ভেটি হৈছে ভাষা। এওঁলোকৰ ভাষাতেই যিহেতু অসমীয়া ভাষীৰ এনেকুৱা প্ৰভাৱ

---

৩২.Goswami, S.N :**Studies in the Sino-Tibetan Languages,** 1988, p. 22

পৰিছে, সংস্কৃতিৰ অন্যান্য দিশৰ ক্ষেত্ৰত যে এই প্ৰভাৱ সুদূৰ প্ৰসাৰী হ'ব , সি সহজেই অনুমেয়। এই সম্পৰ্কে ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামীয়ে লিখিছে-*"The Rabhas sub-groups, like Pati, Dahari, Cunga, Bitalia and Totla have very close contact with the neighbouring Assamese speaking population of Assam from the time immemorial, and consquently they are highly influenced by these population of the Brahmaputra valley. Thus their social life and social customs are losing original colour. Such changes are very prominent and quite noticeable in their day to day life."* [৩৩] এই গোষ্ঠীকেইটাৰ অধিকাংশই পুৰণি ৰীতি-নীতিৰ পৰা ফালৰি কাটি আহি কিছু পৰিমাণে শিষ্ট ৰীতি-নীতিৰ দ্বাৰা পৰিচালিত হোৱা দেখা যায়। ইয়াত বিশেষভাৱে অৰিহণা যোগাইছে ধৰ্মান্তৰৰ প্ৰক্ৰিয়াই। আৰ্যভাষী এই আটাইকেইটা ফৈদেই পুৰণি আদিম জড়বাদী ধৰ্ম পৰিত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰিছে। আৰ্যভাষী ৰাভাসকলে হিন্দু ধৰ্মীয় আচাৰ-ৰীতি পালন কৰা দেখিয়েই সম্ভৱত গ্ৰিয়াৰ্ছনে এনেদৰে লিখিছিল-*"The Rabhas appear to be a Hindu name for the tribe and many men so called are Kacharis."* [৩৪] আৰ্যভাষী ৰাভাসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰিলেও পূৰ্বৰ ধৰ্ম সম্পৰ্কীয় বিশ্বাসকো পৰিত্যাগ কৰিব পৰা নাই। ফলস্বৰূপে তেওঁলোকৰ ধৰ্মীয় বিশ্বাস ৰাভা ধৰ্মীয় বিশ্বাস আৰু হিন্দু ধৰ্মীয় বিশ্বাসৰ সমন্বয়ত গঢ় লোৱা এক মিশ্ৰিত ধৰ্ম-বিশ্বাস হৈ পৰিছে।[৩৫] আৰ্যভাষী ৰাভাসকলৰ ভিতৰত পাতি ৰাভাসকলৰ সংস্কৃতিৰ ক্ষেত্ৰতেই এই পৰিবৰ্তন বেছিকৈ পৰিলক্ষিত হয়। ৰাজেন ৰাভাৰ মতে ৰাভাৰ উক্ত ফৈদৰ লোকসকলে হিন্দু ধৰ্মৰ প্ৰভাৱত মূল ভাষা-সংস্কৃতি সংৰক্ষণ কৰা ফৈদৰ পৰা ফালৰি কাটি (ফাটি) অহা বাবেই 'ফাটি ৰাভা' বা কালক্ৰমে 'পাতি ৰাভা' নাম পালে।[৩৬]

৩৩.Goswami, S.N : উক্ত গ্ৰন্থ, p. 21

৩৪.Linguistic Survey of India, vol-III, pt-II, 1903, p. 105

৩৫. *"They want to embrace hinduism, but at the same time are keen not to give up the old rites totally. They are not sure which religion is the best suited to them. In such a state of confusion, they have been practicising rites of both hinduism and their traditional religion side by side.They have accepted Hindu elements no doubt, but there is also a tendency to maintain their traditional practice."*— Rabha, Rajen, প্ৰাগুক্ত গ্ৰন্থ,p. 25

৩৬.Rabha, Rajen : প্ৰাগুক্ত গ্ৰন্থ, p. 25

পাতি ৰাভাসকলে ৰাভাৰ পৰম্পৰাগত উৎসৱ-পাৰ্বনবিলাক পালন কৰাৰ লগতে হিন্দু ধৰ্মৰ লগত জৰিত উৎসৱ-পাৰ্বন কিছুমানো পালন কৰে। ৰাভাৰ পৰম্পৰাগত খোক্চি, লাঙা আদি দেৱ-দেৱীক পূজা কৰাৰ লগতে হিন্দু ধৰ্মৰ লগত জৰিত দুৰ্গা, কালি, বিশ্বকৰ্মা, লক্ষ্মী, মনসা, শিৱ আদি দেৱ-দেৱীক পূজা-অৰ্চনা কৰে। পূজা-অৰ্চনা কৰোঁতে এওঁলোকে হিন্দু ধৰ্মৰ নিয়মেৰে ধূপ-কাঠি, চাকি-বন্তি জ্বলায়; মাহ-প্ৰসাদ, ফল-ফুল,গাখীৰ-চেনী-মৌ আদি আগবঢ়ায়। অৱশ্যে পূজাবোৰ ব্ৰাহ্মণৰ দ্বাৰা নকৰাই নিজৰ মানুহৰ দ্বাৰা কৰোৱা হয়।

পাতি ৰাভাসকলে ৰাভা জাতিৰ প্ৰধান উপাস্য দেৱী খোক্চিক পূজা কৰাৰ উপৰিও ঘৰ-গোসানী নামৰ এগৰাকী দেৱীক পূজা কৰে। ডাংঘৰ বা মুল ঘৰৰ পূব ফালে ঘট স্থাপন কৰি গৃহস্থৰ কোনো মাঙ্গলিক কাৰ্য অনুষ্ঠিত হ'লে অথবা তিথি-পাৰ্বন আদিত ঘৰ-গোসানীৰ পূজা কৰে। ৰাভাসকলৰ মাজত প্ৰচলিত জনশ্ৰুতি মতে ঘৰ-গোসানী থানেহৰী নামৰ বুঢ়ী এগৰাকীৰ জীয়েক আৰু শিৱৰ স্ত্ৰী। গঙ্গা আৰু দুৰ্গাই জোৰকৈ শিৱক ঘৰ-গোসানীৰ কাষৰ পৰা আঁতৰাই নিওঁতে শিৱই হেনো ঘৰ-গোসানীক এইবুলি আশীৰ্বাদ দিছিল-

“*পাঁচ পুত্ৰ খাব পূজা খেতি পথাৰে।*
*তই ঘৰণী পূজা খাবি ঘৰৰ ভিতৰে।।*”

তেতিয়াৰ পৰাই তেওঁৰ পাঁচ পুত্ৰই খেতি পথাৰত আৰু ঘৰ-গোসানীয়ে ঘৰে ঘৰে পূজা খাই ফুৰে বুলি জনসাধাৰণে বিশ্বাস কৰি আহিছে।[৩৭]

পাতি ৰাভাসকলে মহা ধুম ধামেৰে মাৰে পূজা পালন কৰে। এই পূজা অতীততে সাত দিন সাত ৰাতিলৈকে চলিছিল। “*সামাজিক দৃষ্টিৰ পৰিবৰ্তন আৰু অৰ্থনৈতিক দুৰ্বলতাৰ কাৰণে এই পূজাৰ কাল ক্ৰমশঃ চমুৱাই তিনি দিন তিনি ৰাতিলৈ অনা হ'ল আৰু সম্প্ৰতি পৰিস্থিতি সাপেক্ষে এৰাতি-এদিন বা মাত্ৰ এদিনতেই পূজা সমাপ্ত কৰা দেখা যায়।*”[৩৮] দীৰ্ঘ দিন কৰা পূজাক **‘ভৰ মাৰে’**, এদিন-এৰাতি কৰা পূজাক **‘ফুল মাৰে’** আৰু এদিনতেই সমাপ্ত কৰা পূজাক **‘একবেলিয়া মাৰে’** বা **‘জাগাৰ দিয়া মাৰে’** বোলে। মাৰে পূজাত প্ৰধানকৈ পাতি ৰাভাসকলৰ অধিষ্ঠাত্ৰী দেৱী বৰ্মানী বা বিষহৰীক পূজা কৰা হয়। বৰ্মানী বা বিষহৰী মনসা দেৱীৰেই অন্য ৰূপ। মাৰে পূজাত বৰ্মানী বা

---

৩৭.ৰাভা,বীৰেণ ঃ মাৰৈ গীত আৰু ৰাভা সমাজ,১৯৯৬,পৃ. ৭-১১

৩৮. ৰাভা, প্ৰণেশ্বৰ ঃ মায়াৱন্তী বিষহৰি,১৯৮৭, পৃ. ০১

বিষহৰীৰ লগতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আৰু ধনৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী দেৱীৰ পূজা কৰা হয়। কুঁহিলাৰে প্ৰস্তুত কৰি উলিওৱা 'মজু'ৰ উপস্থাপন মাৰে পূজাৰ অন্যতম বৈশিষ্ট্য। মজু মালেয়া নামৰ শিল্পীয়ে প্ৰস্তুত কৰি উলিয়ায়। পূজাৰ গুৰুত্বলৈ মজুৰ আকাৰ সৰু-ডাঙৰ হ'ব পাৰে। তাৰ ভিতৰত তিনি বিধ মজু বেছি জনপ্ৰিয়—দুমাৰু মজু, কামানী মজু আৰু পাত মজু। কেতিয়াবা কেতিয়াবা মজুৰ সলনি কিছুমান সৰু ঘূৰণীয়া আকৃতিৰ মজু সাজি পূজা মণ্ডপত ওলমাই ৰখা হয়। ইয়াক টেপাৰী (পেটাৰী) বুলি কোৱা হয়।

মাৰে পূজাৰ লগত ওতপ্ৰোতভাৱে জৰিত হৈ আছে মাৰেগীত, ওজাপালি নৃত্য আৰু দেওধনি নৃত্য। "*মাৰে গীতত লোকায়ত চৰিত্ৰ অতি প্ৰকট। ঘাইকৈ পাতি ৰাভা গোষ্ঠীৰ লোকৰ হাতত ৰক্ষিত এই পৰম্পৰাৰ লগত স্বাভাৱিকভাৱে জনজাতীয় উপাদানযুক্ত হোৱাত ইয়াৰ বৈশিষ্ট্যৰ অতিৰিক্ত মাত্ৰা সংযোজিত হৈছে আৰু সি সামগ্ৰিক ভাৱে অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্যৰ অধ্যয়নত তাৎপৰ্যপূৰ্ণ সমলৰ যোগান ধৰিছে।*"[৩৯] গীতসমূহৰ বিষয়-বস্তু সৰ্বজন বিদিত বিষহৰী বা মনসা দেৱীৰ আখ্যান ভাগ। চান্দো সদাগৰ আৰু পদ্মাৱতীৰ বিবাদ, পদ্মাৰ প্ৰতিহিংসাৰ জুইত চান্দোৰ ছয়পুত্ৰৰ লগতে সপ্তম পুত্ৰ লখীন্দাৰৰ মৃত্যু, লখীন্দাৰৰ মৃতদেহ লৈ সতী বেউলাৰ অনিৰ্দিষ্ট যাত্ৰা আৰু বাটত নানা লটি-ঘটি, দেৱপুৰত বেউলাৰ নৃত্য, মহাদেৱৰ দ্বাৰা লখীন্দাৰৰ লগতে চান্দোৰ ছয়পুত্ৰৰ জীৱন দান, তেওঁলোকক লৈ বেউলাৰ স্বামী গৃহলৈ গমন আৰু শেষত চান্দোৰ দ্বাৰা বিষহৰীক পূজা কৰাৰ বৰ্ণনা দিয়া হৈছে। এই কাহিনীৰ মাজে মাজে আমনি লগা দৰ্শকক আমোদ দিবলৈ, বিশেষকৈ ৰাতিৰ সময় হোৱাত কাহিনী বহিৰ্ভূত কেতবোৰ লৌকিক ভাৱ যুক্ত (প্ৰধানতঃ আদি ৰসাত্মক) গীতৰ পৰিবেশন কৰা হয়। এই কাহিনী বহিৰ্ভূত গীতবোৰক **'ঝুনা গীত'** বোলা হয়।

মাৰে গীতৰ লগে লগে ওজাপালিয়ে নৃত্য পৰিবেশন কৰে। ওজাই গীত আৰম্ভ কৰে আৰু পালিসকলে খুটি তাল বজাই গীতৰ ধুৰা অংশটো দোহাৰে। "*ওজাপালিয়ে পৰিবেশন কৰা নাচসমূহ স্বকীয় ভাৱে নামকৰণ কৰা। যেনে—দীঘ নাচ, পথালি নাচ, দুই পকীয়া নাচ, তিনি পকীয়া নাচ, সাখৈ বেৰণী নাচ, ওজা বুৰণি নাচ, দলি ভঙা নাচ, ঘোঁৰা খাটনি নাচ, শগুন নাচ, নেউল নাচ, চালনি সৰকা নাচ, তেঙল মচৰা নাচ ইত্যাদি।*"[৪০]

৩৯. দত্ত, বীৰেন্দ্ৰনাথ ঃ আগকথা, **মায়াৱন্তী বিষহৰি** (প্ৰাণেশ্বৰ ৰাভা), ১৯৮৭

৪০. ৰাভা, প্ৰাণেশ্বৰ ঃ প্ৰাগুক্ত গ্ৰন্থ,পৃ. .১১

মাৰে গীতৰ লগত অঙ্গাঙ্গীভাৱে জড়িত আন এটা নৃত্যানুষ্ঠান হ'ল দেওধনি নৃত্য। বামুন-বামুনীৰ নৃত্য, ৰাভা নৃত্য, কছাৰী নৃত্য, গাৰো নৃত্য, যখিনী নৃত্য, লংদেও নৃত্য, চণ্ডী নৃত্য, ঘটেশ্বৰী নৃত্য, কাচাখাইতীৰ নৃত্য, ৰণচণ্ডীৰ নৃত্য, পাৰোৱা দেৱীৰ নৃত্য আদি দেওধনিৰ ওপৰঞ্চি নৃত্য। এই দেওধনিৰ নৃত্যটোত কিছু পৰিমাণে নাটকীয় উপাদান পৰিলক্ষিত হয়। দ্বিতীয় নিশা দেওধনিয়ে তিনিবাৰ অচেতন হৈ মৃতপ্ৰায় হৈ থাকে। ইয়াকে দঁকত পৰা বোলে। দুৰ্গা দেৱীয়ে গোঁসাইৰ ফুলনিত ফুল ছিঙি অচেতন হৈ পৰি যোৱাৰ গীত ওজাপালিয়ে পৰিবেশন কৰাৰ লগে লগে দেওধনিয়ে দুৰ্গাৰ ভুমিকা লৈ অচেতন হৈ পৰে। এই অৱস্থাটোক ‘ফুল দঁক’ বোলে। মহাদেৱে ফুলনিত প্ৰৱেশ কৰি দুৰ্গা দেৱীক জগোৱাৰ গীত পৰিবেশন কৰাৰ লগে লগে দেওধনিয়ে উঠি বহে। তাৰপাছত ওজাই যেতিয়া পদ্মা দেৱীয়ে সৰ্পৰ ৰূপ ধাৰণ কৰি দুৰ্গাক দংশন কৰি মাৰি পেলোৱাৰ গীত পৰিবেশন কৰে, তেতিয়া দেওধনিয়ে আকৌ দঁকত পৰে। ইয়াক ‘দুৰ্গা দঁক’ বুলি কোৱা হয়। তেতিয়া ওজাই বহি মন্ত্ৰ গাই বিষ নমাই দুৰ্গা দেৱীক জীয়াই তোলে। এই প্ৰক্ৰিয়াটোক ‘দঁক তোলা’ বোলা হয়। সমুদ্ৰ মন্থন কৰোতে বিষ উৎপন্ন হয়। তেতিয়া সেই বিষ পান কৰি মহাদেৱে মাজ সাগৰতে অচেতন হৈ পৰি থকা অৱস্থাক যেতিয়া ওজাপালিয়ে গীতেৰে পৰিবেশন কৰে, তেতিয়াও দেওধনিয়ে দঁকত পৰে। এই অৱস্থাক ‘গোসাই দঁক’ বুলি কোৱা হয়। শেষৰ দিনাখনো দেওধনিয়ে দুবাৰ দঁকত পৰে। বিবাহ-থলীত পদ্মা দেৱীয়ে যেতিয়া মায়া সৰ্প দেখুৱায়, তেতিয়া লখীন্দাৰ অচেতন হৈ পৰে। এই গীত ওজাপালিয়ে পৰিবেশন কৰাৰ লগে লগে দেওদনিয়ে দঁকত পৰে। ইয়াক ‘ছায়া দঁক’ বুলি কোৱা হয। তেতিয়া বেউলাই নিজৰ অঙ্গ কাটি পদ্মাক পূজা দি নিজৰ স্বামীক জীয়াই তোলাৰ গীত পৰিবেশন কৰাৰ লগে লগে এই দঁকৰ অন্ত পৰে। তাৰ পাছৰ দঁকটোক ‘ভৰ দঁক’ বা ‘লখাই দঁক’ বোলা হয়। মেৰ ঘৰৰ ভিতৰত লখীন্দাৰক সৰ্প দংশন কৰাৰ গীত ওজাপালিয়ে পৰিবেশন কৰাৰ লগে লগে দেওধনিয়ে শেষৰটো দঁকত পৰে। গতিকে দেখা গ'ল যে দেওধনিয়ে বহু ক্ষেত্ৰত অভিনয়ৰ অংশও পূৰণ কৰে। সেয়েহে ইয়াক অৰ্দ্ধ নাটকীয় লোক-নাট্যানুষ্ঠান বুলিও ক'ব পৰা যায়।

লাঙা দেও পাতি ৰাভাসকলৰ দ্বাৰা পূজিত অন্যতম মুখ্য দেৱতা। গাওঁৰ পৰা কিছু দূৰত একোটা শিলাখণ্ডক প্ৰতীক স্বৰূপে লৈ লাঙা দেওৰ পূজা কৰা হয়। কথিত আছে যে শিৱই হেনো নাঙঠ হৈ পূজা খাই ফুৰিছিল কাৰণেই তেওঁক লাঙা দেও বোলা হয়।

যখ-যখিনীত বিশ্বাস পাতি ৰাভাসকলৰ লোক-সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য। তেওঁলোকৰ মতে যখ-যখিনী হ'ল ব্যৱহাৰ নকৰা পুৰণি নাদত বা শেওৰা গছত বাস কৰা এহাল অপদেৱতা। সাধাৰণতে সৰু ল'ৰা-ছোৱালীকহে যখ-যখিনীয়ে লম্ভে বুলি জনবিশ্বাস প্ৰচলিত হৈ আহিছে। এনে ক্ষেত্ৰত যখ-যখিনীৰ পূজা নকৰিলে ৰোগ আৰোগ্য নহয়। পূজাৰ উপকৰণখিনি ভঙা জাকৈ এখনত ৰাখি শেওৰা গছৰ তলত ওলমাই ৰাখিলে ৰোগ আৰোগ্য হয় বুলি বিশ্বাস।

পাতি ৰাভাসকলে বিশ্বাস কৰা আন এক অপ দেৱতা হৈছে বীৰা। লোক-বিশ্বাস মতে আত্মঘাতী হৈ মৰা মানুহৰ আত্মাই প্ৰেতাত্মা ৰূপে পৃথিৱীত ৰৈ যায় আৰু সিহঁতেই বীৰালৈ ৰূপান্তৰিত হয়। বীৰা সকলো ৰূপতে ৰূপায়িত হ'ব পাৰে আৰু মানুহক প্ৰৱঞ্চিত কৰে। বীৰাক মানুহে পুহিবও পাৰে। বীৰা পোহা মানুহে বীৰাৰ দ্বাৰা অইন মানুহৰ অপকাৰ কৰিব পাৰে বুলি লোক-বিশ্বাস প্ৰচলিত আছে। পাতি ৰাভাসকলে উপৰি উক্ত দেৱ-দেৱীৰ উপৰিও কাঁচাখাইতী, পাঁচখেতৰ, কালখেতৰ, চামেন আদি দেৱ-দেৱী, অপদেৱতাৰ পূজা কৰে।

পাতি ৰাভাসকলৰ মাজত বাৰটা মাহাৰী আছে। যেনে-চুং, চিনাল, নদো, নাফা, দিয়া, দগম, কচু, দাৰু, ফাঠৌ, ৰং ৰং, মগৰ আৰু নগমা।[৪১] ৰাজেন ৰাভাৰ মতে এই বাৰটা মাহাৰীৰ নামবোৰ হ'ল— চুৰ্চুং, পাম, বাকছো, তাৰা, নিব্ৰাই, হাটো, ৰুংদুং, জুৰো, চিৰা, খাণ্ডা, ৰংখো আৰু ফেনাং।[৪২]

পাতি ৰাভাসকল মৌখিক সাহিত্যত অতি চহকী। মাৰে গীত, বগেজাৰী বা বহুৰঙী গীত, পাৰ বাঁহ নৃত্যৰ গীত আদিয়ে পাতি ৰাভাসকলৰ মৌখিক সাহিত্যৰ চানেকি দাঙি ধৰে।[৪৩] আনহাতে এই লোকগীতৰ লগত সংগত কৰা বাদ্যযন্ত্ৰবোৰ হ'ল—টঙা বনৰ পৰা প্ৰস্তুত কৰা বুবুৰেঙা, গমেনা (গগনা), থৰ্কা (টকা), তুৰুলিয়া বাঁহী, দীঘল পেটী ঢোল ইত্যাদি।

পাতি ৰাভাসকলৰ খাদ্য প্ৰণালী অসমৰ অন্যান্য আৰ্যমূলীয় জনগোষ্ঠীৰ তুলনাত কিছু সুকীয়া। অৱশ্যে এনেকুৱা খাদ্য প্ৰণালী ৰাভাকে ধৰি অসমৰ প্ৰায়ভাগ মঙ্গোলীয় মূলৰ জনজাতীয় লোকৰ মাজতে পৰিলক্ষিত হয়। তেওঁলোকৰ প্ৰধান আহাৰ ভাত যদিও তাৰ লগত পৰিৱেশন কৰা ব্যঞ্জনসমূহ আৰ্য হিন্দু সমাজৰ পৰা কিছু পৃথক। তেওঁলোকে অধিকাংশ শাক-পাচলি হাবিৰ পৰাই সংগ্ৰহ কৰে। সচৰাচৰ ব্যৱহাৰ কৰা শাক-পাচলিৰ উপৰিও তেওঁলোকে বনত হোৱা মেস্তা

৪১. সৰকাৰ, হৰিমোহন ঃ ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ, দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজ,১৯৮৬
৪২.প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭২
৪৩. দ্ৰষ্টব্যঃ এই গ্ৰন্থৰ অনুচ্ছেদ ৮.২০—৮.২১

টেঙা (টেঙামৰা), পাছ্‌লা (কল পচলা), বাঁহ্‌ গাজৰ পৰা তৈয়াৰ কৰা ঝিম টেঙা (খৰিচা), তিতামৰা শুকুৱাই প্ৰস্তুত কৰা শুক্‌তা (শোকোতা) ইত্যাদি খায়। তেওঁলোকৰ প্ৰিয় আঞ্জা হ'ল খাৰ দি প্ৰস্তুত কৰা পিঠাগুৰিৰ ব্যঞ্জন (পিঠালি)। তেওলোকে সচৰাচৰ মাছ-কাছবোৰৰ উপৰিও শামুক, কেকোৰা, কুচিয়া মাছ আদিও খায়। তেওঁলোকে শুকান মাছ গুৰি কৰি শুকান বাঁহৰ চুঙাত সঞ্চয় কৰি ৰাখে। ইয়াক 'সিন্দল' বা 'ছিদল' বোলে। অন্যান্য জনজাতীয় সমাজৰ দৰে পাতি ৰাভা সমাজতো তামোল-পান আৰু মদৰ বহুল প্ৰচলন আছে। পাতি ৰাভাৰ মহিলাসকলে বুকুলৈকে নিসীয়া মেখেলা (পাতানি) আৰু গাত ফুলাম আংচা (চাঁদৰ) পৰিধান কৰে। পুৰুষ সকলে আঠুমূৰীয়া বা আঠু চেৰা ৰং-বিৰঙৰ গামছা (চুৰিয়া) পিন্ধে।

পাতি ৰাভাসকলৰ মাজত প্ৰচলিত বিবাহ প্ৰথাবোৰক তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰিব পাৰি[৪৪]-

(১) দৰা আৰু কইনাৰ অভিভাৱকৰ সন্মতিত সামাজিক ভাবে হোৱা বিবাহ

(২) সাজা বিয়া (জাক জমক ভাৱে পতা আধুনিক বিয়া)

(৩) ঘৰজাই বিয়া (ঘৰ জোঁৱাই ৰখা বিয়া)

(৪) ধূপ-চাউল বিয়া

(৫) ছোৱালীৰ অসন্মতি সত্বেও জোৰ-পূৰ্বক ভাৱে পলুৱাই নি পতা আসুৰিক বিবাহ

অতীজতে পাতি ৰাভা সমাজৰ বিবাহ প্ৰথা অতি ব্যয়-বহুল আছিল। মদ, গাহৰি, কুকুৰা আদিৰ ব্যৱহাৰ আছিল বাধ্যতামূলক।

দৰং আৰু নলবাৰীত বাস কৰা টোটলা ৰাভা সকলে ব'হাগ বিহু পালন কৰাৰ উপৰিও সেই দিনাই গোসানী পূজা কৰি হাঁহ, পাৰ, ছাগলী, কুকুৰা আদি বলি দিয়ে। ৰাভাসকলৰ অন্যান্য ফৈদৰ দৰে টোটলা ৰাভাসকলৰ মাজত জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ আদিত অগাধ বিশ্বাস। টোটলা ৰাভাসকলৰ বিবাহ পদ্ধতিত স্বকীয় বৈশিষ্ট্য কিছুমান দেখিবলৈ পোৱা যায়। "*অতীততে তেওঁলোকে মনৰ পছন্দ মতে ছোৱালী ধৰি আনি বা পলুৱাই আনি বিয়া কৰাইছিল। এই ক্ষেত্ৰত কইনা জনীৰ কোনো মত-*

---

৪৪.Rabha, Rajen :প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৩১-১৪৬

*অভিমত লোৱা নহৈছিল।*”[৪৫] টোটলা ৰাভাসকলৰ বিবাহ উৎসৱত বাৰুৱা আৰু বাৰুৱানী নামৰ দুটা চৰিত্ৰৰ ভুমিকা মন কৰিব লগীয়া। তেওঁলোকেই মূল ভুমিকা লৈ বিবাহ অনুষ্ঠানখন পৰিচালনা কৰাৰ উপৰিও ৰাইজৰ মনোৰঞ্জনৰ কাৰণে বিশেষ নৃত্য-গীত পৰিবেশন কৰে। বিবাহ, আদ্য-শ্ৰাদ্ধ আদি সামাজিক অনুষ্ঠানবোৰত মদ আৰু গাহৰি, কুকুৰা আদিৰ মাংসৰ ব্যৱহাৰ ৰাভাৰ অন্যান্য ফৈদৰ দৰেই আছে। টোটলা ৰাভাসকলৰ মাজত আইনাম, ধাইনাম, অন্যান্য পূজা-পাতলত গোৱা গীত, বাম্বোল পিটা গীত, হৰিণ চিকাৰৰ গীত, বহুৰঙী গীত, ভালুক নচুওৱা গীত আদি ভালেমান লোকগীত প্ৰচলিত আছে।[৪৬]

দাহৰি ৰাভাসকলৰ মাজত প্ৰচলিত বিশটা বাৰায় বা মাহাৰী আছে। যেনে—(১) লেম, (২) বাক্‌ছো, (৩) তাৰা, (৪) ৰংখো, (৫) জুৰো, (৬) দয়নাং, (৭) মেজেং (৮) উনি, (৯) কামা, (১০) তৰাং, (১১) কেনছাং (কেনছাম), (১২) বাণ্ঠাও, (১৩) নাব্ৰা, (১৪) মোজা, (১৫) ৰংগাদা, (১৬) জিৰা, (১৭) কাৰা (১৮) নিব্ৰা, (১৯) খাণ্ডা আৰু (২০) বলবং।[৪৭] দাহৰি ৰাভাসকলৰ মাজত এটা সময়ত হয়তো সতী যোৱা প্ৰথা আছিল। এই সম্পৰ্কীয় এলানি গীত এতিয়াও তেওঁলোকৰ মাজত প্ৰচলিত আছে।[৪৮] অন্যান্য ৰাভাৰ দৰেই দাহৰি ৰাভাসকলেও ভূত-প্ৰেতাদি বিশ্বাস কৰে। মদ আৰু মাংসৰ ব্যৱহাৰ এইটো ফৈদতো দেখা যায়। তেওঁলোকে খোক্‌চি দেৱীক পূজা কৰি জুইৰ ওপৰত নাচে আৰু কলপটুৰাৰ ভুৰ উটুৱায়।

---

৪৫. ৰাভা, লোহিত ঃ **বাস্কা অঞ্চলৰ ৰাভাসকলৰ সামাজিক লোকাচাৰ**, (প্ৰবন্ধ), ৰাংকাৰাং, নিখিল ৰাভা সাহিত্য সভাৰ সপ্ত বিংশতিতম বাৰ্ষিক অধিবেশন, তামুলপুৰ, ২০০১, পৃ. ১৭

৪৬.এই গ্ৰন্থৰ অনুচ্ছেদ ৮.২২

৪৭.Rabha, Rajen :প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭৩

৪৮.এই গ্ৰন্থৰ অনুচ্ছেদ ৮.২৬